Tel :0361-2450409 (O)
0361-2529542 (O)

# ASSAM PRADESH CONGRESS COMMITTEE

## RAJIV BHAWAN

INDIRA GANDHI HIGHWAY (G.S. ROAD), GUWAHATI-781005

**০৫-০৯-২০১৬**

## প্ৰেছ বিবৃতি

### প্ৰদেশ কংগ্ৰেছৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহকৰ সিদ্ধান্ত

**গুৱাহাটী ০৫ ছেপ্টেম্বৰ** – অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নৱনিযুক্ত সভাপতি তথা ৰাজ্যসভাৰ সাংসদ ৰিপুন বৰাৰ সভাপতিত্বত যোৱাকালি ৪ ছেপ্টেম্বৰ তাৰিখ দেওবাৰে গুৱাহাটীস্থিত মানবেন্দ্ৰ শৰ্মা চৌহদত অনুষ্ঠিত বৰ্দ্ধিত কাৰ্যনিৰ্বাহকৰ সভাই বিগত সময়ছোৱাত আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰি যোৱা বিভিন্ন স্তৰৰ সতীৰ্থৰ লগতে ৰাজ্যিক, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত অৱদান যোগোৱা ব্যক্তিৰ বিয়োগৰ লগতে প্ৰাকৃতিক দুৰ্যোগ তথা বিচ্ছিন্নতাবাদী কাৰ্যকলাপত প্ৰাণাহুতি দিয়া সকললৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে আহত সকলৰ আশু আৰোগ্য কামনা কৰি ভগবানৰ ওচৰত মৌন প্ৰাৰ্থনা জনোৱা হয়। প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ, নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক ডঃ চি পি যোশী, সম্পাদকদ্বয় অবিনাশ পাণ্ডে, ভূপেন বৰা, কংগ্ৰেছ ৱৰ্কিং কমিটীৰ সদস্যা ডঃ হেমপ্ৰভা শইকীয়া, প্ৰাক্তন প্ৰদেশ কংগ্ৰেছৰ সভাপতিদ্বয় পৱন সিং ঘাটোৱা, ভুবনেশ্বৰ কলিতা, প্ৰাক্তন মুখ্যমন্ত্ৰী ডঃ ভূমিধৰ বৰ্মনৰ লগতে দলৰ সাংসদ, বিধায়ক, প্ৰাক্তন সাংসদ, প্ৰাক্তন বিধায়ক, দলৰ বিভিন্ন বিষয়ববীয়া, কাৰ্যনিৰ্বাহক সদস্য/সদস্যা, বিভিন্ন ভাতৃ-ভগ্নী সংগঠনৰ নেতৃবৃন্দৰ উপৰিও জিলা কংগ্ৰেছৰ সভাপতি তথা বিগত বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়োৱা দলীয় প্ৰাৰ্থীসকল সভাত উপস্থিত থাকি আলোচনাত অংশগ্ৰহণ কৰে আৰু নিম্নলিখিত ছয়টা প্ৰস্তাৱ গ্ৰহণ কৰে।

**শিক্ষক দিৱস উপলক্ষে শুভেচ্ছাঃ**

শিক্ষক দিৱস উপলক্ষে দেশৰ মহান শিক্ষক, প্ৰাক্তন ৰাষ্ট্ৰপতি ডঃ সৰ্বেপল্লী ৰাধাকৃষ্ণনৰ লগতে ৰাজ্যখনৰ বিভিন্ন পৰ্যায়ৰ শিক্ষানুষ্ঠানত শিক্ষকতাৰ দৰে মহান আৰু পৱিত্ৰসেৱাত জড়িত সমূহ সন্মানীয় শিক্ষাগুৰুলৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে কৃতজ্ঞতাসূচক শ্ৰদ্ধাৰ লগতে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

**ৰাজনৈতিক প্ৰস্তাৱঃ**

সভাই বিগত বিধানসভা নিৰ্বাচনত একেৰাহে তিনিটাকৈ কাৰ্যকাল ক্ষমতাৰ অধিষ্ঠিত হৈ থকাৰ পিছত জনসাধাৰণৰ মনত গঢ় লৈ উঠা স্থিতাৱস্থা বিৰোধী মানসিকতাক সঠিকভাৱে আস্থা অৰ্জনলৈ পৰিণত কৰিব নোৱাৰাৰ বাবে হোৱা পৰাজয় অৰ্থাৎ জনাদেশক স্বীকাৰ কৰি লৈ পৰৱৰ্তী সময়ত গণতান্ত্ৰিক ব্যৱস্থা শক্তিশালী কৰি ৰখাৰ স্বাৰ্থত দায়িত্বশীল বিৰোধী দলৰ ভূমিকা পালন কৰি যাবলৈ অঙ্গীকাৰৱদ্ধ হয়। ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ পিছত দেশৰ নাগৰিকক দিয়া প্ৰতিশ্ৰুতি মূলতঃ অসমৰ বিদেশী নাগৰিকৰ সমস্যা, বান গৰাখহনীয়াৰ সমস্যা, নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি, নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ বিৰোধিতা, নিৱনুৱা সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি আৰু পিছলৈ ওলোটা খৰ মৰা কাৰ্যই জনসাধাৰণক বিতুষ্ট কৰিলৈও বিৰোধী ৰাজনৈতিক দল সমূহে সন্মিলিতভাৱে নিৰ্বাচনত অৱতীৰ্ণ

ক্ৰমশ...

Tel :0361-2450409 (O)
0361-2529542 (O)

# ASSAM PRADESH CONGRESS COMMITTEE

RAJIV BHAWAN

INDIRA GANDHI HIGHWAY (G.S. ROAD), GUWAHATI-781005



হোৱাত আমি আশা কৰা ধৰণে জয়লাভৰ পৰা বঞ্চিত হৈছিলো। একে সময়তে ধৰ্মীয় মেৰুকৰণেও আমাৰ ভোটৰ হাৰক কোনো ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সমৰ্থ নহ'লেও সন্মিলিত বিৰোধীৰ ঐক্যই বিজেপি আৰু মিত্ৰজোঁটৰ সফলতা অৰ্জনত সহায়ক হ'ল। ইয়াৰোপৰি আমাৰ শাসন কালত দল আৰু চৰকাৰৰ মাজত ব্যবধান বৃদ্ধি হোৱা, পঞ্চায়ত সমূহত সংঘটিত ব্যাপক খেলিমেলি, প্ৰাৰ্থীত্ব ঘোষণাত বিলম্ব, সু-পৰিকল্পিত প্ৰচাৰৰ লগতে একাংশ নেতা কৰ্মীৰ অধিক আত্মবিশ্বাস তথা একাংশৰ নিষ্ক্ৰিয়তা আৰু নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত ঘোষিত আঁচনি হিতাধিকাৰী নিৰ্বাচনত হোৱা ব্যাপক অনিয়মৰ বাবেই মূলত দলটো জনৰোষত পৰিল আৰু নিৰ্বাচনী বিপৰ্যয় ঘটিবলৈ পালে।

গণতান্ত্ৰিক শাসন ব্যৱস্থা এনে নিৰ্বাচনী বিপৰ্যয়ৰ সন্মুখীন হোৱা কংগ্ৰেছ দলে পুনৰ দলীয় কৰ্মীৰ দৃঢ় মনোবল তথা নিষ্ঠাৰ লগতে কংগ্ৰেছৰ ধৰ্মনিৰপেক্ষ আদৰ্শ আৰু সৰ্বশ্ৰেণীৰ জনগণৰ উন্নয়নৰ প্ৰতি থকা দায়বদ্ধতাৰ বাবেই পুনৰ ক্ষমতাত অধিষ্ঠিত হোৱাৰ নজিৰ আছে আৰু সভাই সেই নীতিকেই সৰোগত কৰি বিৰোধী দলৰ ভূমিকা পালন কৰি যাবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

বিগত সময়ত মূল সমস্যাৰ পৰা জনসাধাৰণৰ দৃষ্টি আতৰাই ৰখাৰ কৌশলেৰে মায়ং, ছিপাঝাৰকে আদি কৰি বান আৰু গৰাখহনীয়াত মাটি, ভেটি হেৰুৱাই যুগ যুগ ধৰি বসবাস কৰি অহা ভাষিক তথা ধৰ্মীয় সংখ্যালঘু ৰাইজক সন্দেহজনক বিদেশী সজাই উচ্ছেদৰ ভাবুকিৰে এক অৰাজক পৰিস্থিতিৰ সৃষ্টি কৰাটো পৰিলক্ষিত হৈছে। এনে কাৰ্য অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ আজিৰ সভাই উদ্বিগ্নতা প্ৰকাশ কৰাৰ লগতে ৰাজ্য চৰকাৰক সকলো শ্ৰেণীৰ নাগৰিকৰে জীৱন আৰু সম্পত্তিৰ সুৰক্ষা নিশ্চিত কৰিবলৈ দাবী জনাইছে।

নিৰ্বাচনৰ পিছতে বিজেপি নেতৃত্বাধীন চৰকাৰখনে প্ৰলোভন আৰু ভীতি প্ৰদৰ্শনৰে নিৰ্বাচিত নিকায়-নিগম আৰু পৰিষদ তথা পঞ্চয়তৰ প্ৰতিনিধিসকলক নিজৰ ফলীয়া কৰিবলৈ চলোৱা কু-প্ৰচেষ্টাক সভাই কঠোৰ ভাষাৰে গৰিহণা দিয়ে আৰু এনে কাৰ্য এক অশুভ পৰম্পৰা বুলি অভিহিত কৰে।

**<u>অৰ্থনৈতিক প্ৰস্তাৱঃ</u>**

২০১৪ চনত প্ৰধানমন্ত্ৰীৰ নৰেন্দ্ৰ মোডীৰ চৰকাৰ গঠনৰ পিছৰে পৰা দৰিদ্ৰ জনগণ বিৰোধী সিদ্ধান্তৰে সৰ্বস্তৰত অতিৰিক্ত কৰ প্ৰয়োগেৰে সৰ্বসাধাৰণক বিপৰ্যস্ত কৰি তোলা বিজেপি চৰকাৰে পদাংক অনুসৰণ কৰি সৰ্বানন্দ সোণোৱাল চৰকাৰে ১২৭ বিধ সামগ্ৰীৰ ওপৰত ১ শতাংশকৈ ভেট বৃদ্ধিৰে সকলো সামগ্ৰীৰে অস্বাভাবিক মূল্যবৃদ্ধি ঘটাইছে। ইয়াৰোপৰি, নিত্য ব্যৱহাৰ্য খাদ্য-সামগ্ৰী আৰু গৃহ নিৰ্মাণৰ সামগ্ৰীৰ দাম হুৱাহুৰে বৃদ্ধি হোৱাৰ বাবে 'পৰিবৰ্তন'ৰ কথা কোৱা বিজেপি চৰকাৰেই সম্পূৰ্ণৰূপে জগৰীয়া।

ৰন্ধন গেছৰ ৰাজসাহায্য কৰ্তন, এইখন চৰকাৰৰ আন এক জনবিৰোধী সিদ্ধান্ত বুলি সভাই অভিহিত কৰে। যাৰ বাবে জনসাধাৰণে আমাৰ ৰাজ্যত প্ৰতিটো ৰন্ধন গেছৰ চিলিণ্ডাৰত ১৪ টকাকৈ অধিক ভৰিবলগীয়া হৈছে। এনে হঠকাৰী সিদ্ধান্ত পৰিহাৰ কৰিবলৈ অসম প্ৰদেশ কংগ্ৰেছ দলে দাবী জনাইছে।

তৈলক্ষেত্ৰসমূহৰ নিলামৰ দ্বাৰা বহিৰাগত বনিক গোষ্ঠীক গতাই দিয়াৰ চক্ৰান্ত বাতিল কৰি ৰাজ্য চৰকাৰৰ নেতৃত্ব তৈলখাদ সমূহৰ খনন কাৰ্য চলাবলৈ সভাই দাবী জনাইছে।

ক্ৰমশ....

INDIAN NATIONAL CONGRESS

Tel :0361-2450409 (O)
0361-2529542 (O)

# ASSAM PRADESH CONGRESS COMMITTEE

## RAJIV BHAWAN

### INDIRA GANDHI HIGHWAY (G.S. ROAD), GUWAHATI-781005



ইউ পি এ চৰকাৰে ঘোষণা কৰা উত্তৰ-পূৰ্ব উদ্যোগিক বিনিয়োগ নীতিক পুনৰ বলবৎ কৰিবলৈ প্ৰদেশ কংগ্ৰেছৰ দাবী। দেশৰ ১১ খন ৰাজ্যই বিগত দিনত লাভ কৰি অহা বিশেষ ৰাজ্যৰ মৰ্যদা পুনৰ বলবৎ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক দাবী জনাইছে।

দৰিদ্ৰ জনসাধাৰণৰ স্বাৰ্থত ইউ পি এ চৰকাৰৰ আমোলত প্ৰৱৰ্তিত ‘খাদ্য সুৰক্ষা আঁচনি’ সঠিকভাৱে ৰূপায়ন কৰিবলৈকো সভাই দাবী জনাইছে।

**<u>বান পৰিস্থিতিঃ</u>**

ৰাজ্যত সংঘটিত তিনিটাকৈ বানে জুৰুলা কৰাৰ পাছতো কেন্দ্ৰত একে দলৰ চৰকাৰে কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়ত ৰাজ্যৰ বিজেপি মিত্ৰ জোঁটৰ চৰকাৰে কেন্দ্ৰৰ পৰা বান সাহায্যৰ নামত বিগত দিনত এটকাও আনিব নোৱাৰা কাৰ্যক সভাই ধিক্কাৰ দিয়ে আৰু ভেঙুচালি তথা মিথ্যাচাৰ বাদ দি বানত ক্ষতিগ্ৰস্ত হোৱা জনগনৰ স্বাৰ্থত বলিষ্ট ভূমিকা পালন কৰিবলৈ দাবী জনায়। কেন্দ্ৰই আজিলৈকে বানত ক্ষতিগ্ৰস্ত হোৱাৰ বুজ ল’বলৈ কোনো প্ৰতিনিধিৰ দল প্ৰেৰণ নকৰাটোৱে মোডী চৰকাৰৰ অসম প্ৰেমৰ নমুনা পৰিলক্ষিত হৈছে।

**<u>আইন শৃংখলাঃ</u>**

পূৰ্বৰ তৰুণ গগৈ চৰকাৰৰ আমোলত স্থাপিত হোৱা শান্তিৰ বাতাবৰণ যোৱা তিনিমাহত ধ্বংস হৈছে। কোকৰাঝাৰ, কাৰ্বি-আংলং, ডুমডুমা, ফিল’বাৰীকে ধৰি ৰাজ্যখনত হোৱা নিৰ্বিচাৰ গুলীচালনা, বোমা বিস্ফোৰণ, আই ই ডি উদ্ধাৰ, বিচ্ছিন্নতাবাদী কাৰ্যকলাপ বৃদ্ধিক কঠোৰ ভাষাৰে নিয়ন্ত্ৰণ কৰাত সৰ্বানন্দ সোণোৱাল চৰকাৰখন সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা প্ৰদান নিশ্চিত কৰাৰ লগতে ‘নাগালিম’ৰ নামত আমাৰ অখণ্ডতা ৰক্ষা কৰিবলৈকো সভাই দাবী জনাইছে।

**<u>সাংগঠনিক প্ৰস্তাৱঃ</u>**

সভাই বিস্তৃত আলোচনাৰ অন্তত আগন্তুক দিনত দলৰ সকলো স্তৰতে প্ৰয়োজন সাপেক্ষে সংশোধন ঘটোৱাত গুৰুত্ব আৰোপ কৰি দলটোক অধিক শক্তিশালী, গণমুখী আৰু গতিশীল কৰি তোলাত সন্মতি প্ৰকাশ কৰি সিদ্ধান্ত গ্ৰহণ কৰে।

(অপূৰ্ব কুমাৰ ভট্টাচাৰ্য)
জ্যেষ্ঠ মুখপাত্ৰ,
অসম প্ৰদেশ কংগ্ৰেছ কমিটী